# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 27-07-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***

***:::::::::::::::::::::::::::::::***

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত প্ৰথমবাৰৰ বাবে কৰা পক্ষী সমীক্ষাত ৪৩টা প্ৰজাতিৰ পক্ষীৰ তথ্য পোৱা গৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাতৰ ১২৪ সংখ্যক খণ্ডত এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই সমীক্ষাত কম্পিউটাৰ প্ৰযুক্তি ব্যৱহাৰৰ জৰিয়তে শব্দ বাণীবদ্ধ কৰা কিছু আহিলা স্থাপন কৰাৰ পাছত তাত বাণীবদ্ধ হোৱা শব্দসমূহ বিশ্লেষণ কৰা হয়। এই পদক্ষেপৰ সৈতে জড়িত সমগ্ৰ দলটোক প্ৰশংসা কৰি শ্ৰীমোদীয়ে দেশৰ জৈৱ বিচিত্ৰতাৰ আন্তৰ্জাতিক স্বীকৃতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এনে পদক্ষেপসমূহৰ সংবৰ্ধন হোৱা উচিত বুলি মত প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কাজিৰঙাৰ অতুলনীয় সৌন্দৰ্যৰ কথা প্ৰকাশ কৰি ৰাষ্ট্ৰীয় উদ্যানৰ বিপন্ন প্ৰজাতিৰ চৰাইৰ বাসস্থানৰ বিষয়ে উল্লেখ কৰে। তেওঁ প্ৰথমবাৰৰ চলোৱা এই তৃণভূমিৰ চৰাইৰ জৰীপৰ শলাগ লৈ বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত অসমে গ্ৰহণ প্ৰচেষ্টা আৰু ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্যৰ বিষয়ে উল্লেখ কৰে।

শ্ৰীমোদীয়ে কয়, যে একবিংশ শতিকাৰ ভাৰতত শক্তি নৱীকৰণৰ সৈতে বিজ্ঞান অগ্ৰগতিৰ দিশে ধাৱিত হৈছে। বায়ুসেনাৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লা মহাকাশৰ পৰা সুকলমে প্ৰত্যাৱৰ্তন কৰাত সমগ্ৰ দেশ গৌৰৱান্বিত হোৱা বুলি তেওঁ উল্লেখ কৰে। ২০২৩ চনৰ আগষ্টত চন্দ্ৰযান-৩ৰ সফল অৱতৰণে দেশত এটা নতুন পৰিবেশ সৃষ্টি কৰা বুলি উল্লেখ কৰি তেওঁ কয়, যে শিশুসকল বিজ্ঞান আৰু মহাকাশৰ প্ৰতি কৌতুহলী হৈ উঠাৰ লগতে তেওঁলোকে মহাকাশ বিজ্ঞানী হোৱাৰো লক্ষ্য লৈছে। প্ৰধানমন্ত্ৰীয়ে শিশুসকলৰ মাজত উদ্ভাৱনী প্ৰতিভাৰ বিকাশৰ লক্ষ্যৰে হাতত লোৱা **ইন্সপায়াৰ মানক** শীৰ্ষক অভিযানৰ বিষয়েও উল্লেখ কৰে। এই পদক্ষেপৰ অধীনত প্ৰত্যেকখন বিদ্যালয়ৰ পৰা পাঁচোটিকৈ শিশুক বাছনি কৰা হয়। এতিয়ালৈ কেইবালাখ শিশুৱে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে সন্তুষ্টি প্ৰকাশ কৰে।

অহা ২৩ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদ্‌যাপন কৰা হ'ব বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে নমো এপৰ জৰিয়তে এই দিৱস উদ্‌যাপন সন্দৰ্ভত নিজৰ মনোভাৱ প্ৰকাশ কৰিবলৈ শ্ৰোতাসকললৈ আহ্বান জনায়।

০০০০০০০

উৰিয়াম ঘাটৰ ৰেঙমা সংৰক্ষিত বনাঞ্চলত অহা ২৯ জুলাইৰ পুৱাৰ পৰা উচ্ছেদ চলোৱা হ'ব। বন বিভাগে অঞ্চলটোৰ সোণাৰীবিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি গাঁওসমূহলৈ গৈ কাইলৈৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ জাননী দিছে। ইয়াৰ আগেয়ে প্ৰশাসনে জাৰি কৰা জাননীত দখল কৰা লোকসকলক সাত দিনৰ ভিতৰত এই স্থান খালী কৰিবলৈ সময়সীমা বান্ধি দিয়া হৈছিল। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হ'ব। জাননী জাৰি কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰীবিল গাঁৱত

উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে। গাঁওখনৰ ২০৫টা পৰিয়ালে বনভূমি দখল কৰি থকাৰ তথ্য লাভ কৰি গোলাঘাট জিলা বন বিভাগে সাত দিনৰ ভিতৰত ঠাইখন খালী কৰিবলৈ যোৱা ২৪ জুলাইত জাননী জাৰি কৰিছিল।

ইপিনে, নগাঁও জিলাৰ হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে। নগাঁও সদৰ ৰাজহ চক্ৰ বিষয়াই সংশ্লিষ্ট অঞ্চলৰ বাসিন্দাসকললৈ জাৰি কৰা জাননী অনুসৰি হাতীচোং মৌজাৰ গৰৈমাৰী পথাৰ কিচামতৰ ৭২ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভৰ লগতে বগৰীগুৰি পাম কিচামতৰ ৬২ আৰু ৬৩ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভত উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনে সিদ্ধান্ত লৈছে। একেদৰে যোৱা ৫ জুলাইত ধিং ৰাজহচক্ৰ বিষয়াই আলি টাঙনি মৌজাৰ বালিকতিয়া কিছামতৰ ভূমিও সাদিনৰ ভিতৰত দখলমুক্ত কৰিবলৈ জাননী জাৰি কৰিছিল।

০০০০০০০

ৰাজ্যত বিগত দুমাহত বৰষুণৰ পৰিমাণ প্ৰায় ৪৪ শতাংশ হ্ৰাস পাইছে। গুৱাহাটীৰ বৰঝাৰস্থিত বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি জুন-জুলাইত সাধাৰণতে ৭৮৮ দশমিক ৮ মিলিমিটাৰ বৰষুণ হয় যদিও এইবেলি ৪৪৪ দশমিক ১ মিলিমিটাৰহে বৰষুণ হৈছে। সেই অনুসৰি এই সময়ছোৱাত বৰষুণৰ পৰিমাণ ৪৪ শতাংশ হ্ৰাস পাইছে। জলবায়ুৰ অভাৱনীয় পৰিৱৰ্তনৰ ফলত অকল অসমেই নহয় বৰং সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে।

০০০০০০০

অসম লোকসেৱা আয়োগৰ অধীনৰ নিযুক্তিত অনিয়ম সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা নেতৃত্বাধীন ন্যায়িক আয়োগৰ পৰামৰ্শাৱলী চৰকাৰে কিমান দূৰ কাৰ্যকৰী কৰিছে সেই সন্দৰ্ভত অহা ৩১ জুলাইত উচ্চ ন্যায়ালয়ত তথ্য দাখিল কৰিব। গুৱাহাটী উচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত ৰাজ্য চৰকাৰক প্ৰশ্ন উত্থাপন কৰাৰ লগতে তথ্য দাখিলৰ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে ৰাকেশ পাল লোকসেৱা আয়োগৰ অধ্যক্ষ হৈ থকাৰ সময়ত সংঘটিত কেলেংকাৰীৰ তদন্তৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত এজনীয়া তদন্ত আয়োগ গঠন কৰিছিল। আয়োগে ২০১৩ আৰু ২০১৪ বৰ্ষৰ নিযুক্তি কেলেংকাৰী তদন্ত সম্পূৰ্ণ কৰি ৰাজ্য চৰকাৰক ইতিমধ্যে প্ৰতিবেদন দাখিল কৰিছে। আয়োগৰ প্ৰতিবেদনত চৰকাৰক কেইবাটাও পৰামৰ্শ আগবঢ়োৱা হৈছে।

০০০০০০০

সমাপ্ত